**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ চৰকাৰী চাকৰিত চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে ৰাজ্য চৰকাৰৰ ৩ শতাংশ চাকৰি সংৰক্ষণৰ ব্যৱস্থা।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট আজি ছিংগাপুৰলৈ ৰাওনা।

৩। ৰাজ্যজুৰি পোহৰৰ উৎসৱ দীপাৱলী আৰু কালী পূজা পালনৰ প্ৰস্তুতি সম্পূৰ্ণ।

৪। বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তনভী শৰ্মাৰ ৰূপৰ পদক অৰ্জন। **আৰু**

৫। ভাৰতক পৰাস্ত কৰি ইংলেণ্ডৰ আই চি চি এদিনীয়া মহিলা বিশ্বকাপৰ ছেমি ফাইনেলত প্ৰৱেশ।

oooooo

চাহ বাগিচাৰ লাইনৰ ভূমিৰ স্বত্ব বাগিচাৰ শ্ৰমিকক দিয়াৰ উদ্দেশ্যে নৱেম্বৰ মাহত অসম বিধানসভাত এখন বিধেয়ক উত্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি যোৰহাটৰ মৰিয়নীত ঘোষণা কৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ঊনবিংশতিতম দ্বিবাৰ্ষিক সাধাৰণ অধিৱেশন আৰু অসম চাহ জনজাতি মহিলা সমিতিৰ কেন্দ্ৰীয় দ্বিবাৰ্ষিক সাধাৰণ অধিৱেশনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে অহা ২৫ নৱেম্বৰত এই বিধেয়ক উত্থাপন কৰা হ'ব। চাহ জনগোষ্ঠীৰ লোকসকলৰ শিক্ষাৰ প্ৰয়োজনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অহা বৰ্ষৰ জানুৱাৰী মাহত এশখন হাইস্কুল চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে মুকলি কৰা হ'ব।

**বাইট (চি এম)**

ৰাজ্যৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ জনগোষ্ঠীৰ শিক্ষাৰ্থীৰ বাবে তিনিখনৰ পৰিৱৰ্তে চাৰিখন আসন সংৰক্ষণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। ঠিক তেনেদৰে ৰাজ্যৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ চৰকাৰী চাকৰিত চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে ৩ শতাংশ চৰকাৰী চাকৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে।

ড° শৰ্মাই তেওঁৰ ভাষণত কয়, যে অসমৰ জাতীয় জীৱনৰ অন্যতম শক্তিশালী সংগঠন অসম চাহ জনজাতি ছাত্ৰ সন্থাই প্ৰতিষ্ঠা কালৰে পৰা চাহ জনগোষ্ঠী লোকসকলৰ নায্য প্ৰাপ্তিৰ দাবীৰে সংগ্ৰাম কৰি আহিছে। ছাত্ৰ সন্থাই জনগোষ্ঠীটোক শৈক্ষিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিকভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অবিৰতভাৱে চেষ্টা কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ দুয়োটা সংগঠনকে চাহ জনগোষ্ঠীৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। কালিৰ এই অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ৰূপজ্যোতি কুৰ্মী, সঞ্জয় কিষাণ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ পল্লৱ লোচন দাস আদি ব্যক্তিসকল উপস্থিত থাকে।

oooooo

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে আজি অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট ছিংগাপুৰলৈ ৰাওনা হ'ব। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলৰ দুজনীয়া দলটোৱে ছিংগাপুৰত গৈ জুবিনৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰিব। এছ আই টিৰ দলটোৱে কাইলৈ ছিংগাপুৰৰ আৰক্ষীৰ সৈতে

আনুষ্ঠানিকভাৱে মিলিত হ'ব। অসম আৰক্ষীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ জৰিয়তে ছিংগাপুৰ এটৰ্নী জেনেৰেললৈ তদন্তত সহযোগ বিচাৰি পত্ৰ প্ৰেৰণ কৰাৰ পাছতে ছিংগাপুৰ আৰক্ষীয়ে এছ আই টিক সহযোগ কৰাৰ সেউজ সংকেত প্ৰদান কৰে। ইয়াৰ পাছতে আজি অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোট ছিংগাপুৰলৈ ৰাওনা হ'ব।

ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে কালি ৰাজ্যৰ বিভিন্ন স্থানত মাঙ্গলিক কাৰ্যসূচী অনুষ্ঠিত হয়। শিল্পীগৰাকীৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিক্ষেত্ৰত নিশাজুৰি ডিমৰীয়াবাসী ৰাইজে গীতা পাঠ, সংকীৰ্তন, সৰ্বধৰ্ম প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি জনায়। নিশা কমাৰকুছিত উপস্থিত হৈ গৰিমা শইকীয়া গাৰ্গে জুবিনলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে অনুৰাগীৰ সৈতে সময় কটায়। ন্যায় ব্যৱস্থাৰ ওপৰত আস্থা আছে বুলিও গৰিমাই প্ৰকাশ কৰে।

**বাইট (গৰিমা গাৰ্গ)**

ৰাজ্যৰ আন প্ৰান্তৰ লগতে ডিব্ৰুগড়ৰ টিংখাং, দৰং জিলাৰ জলজলি খাৰৈপাৰা, কাছাৰ জিলাৰ শিলচৰ এন আই টিতো জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইপিনে মানকাচৰত জুবিনৰ মৃত্যুৰ ন্যায় বিচাৰি সমদল উলিওৱা হয়। অগপ নেতা জাবেদ ইছলামৰ নেতৃত্বত উলিওৱা সমদলত সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে।

oooooo

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে ৰাজ্যৰ জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপনৰ বাবে সাজু হৈছে। এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাব। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু অন্যান্য পোহৰৰ সামগ্ৰীৰে বজাৰসমূহ ভৰি পৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত তেওঁ কয় যে কালী পূজাই মানুহৰ মনৰ পৰা ভয় আৰু অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই অন্তৰ্নিহিত শক্তিক জাগ্ৰত কৰাৰ পাঠ দিয়ে। ৰাজ্যপালগৰাকীয়ে সহমৰ্মিতা, পাৰস্পৰিক সহানুভূতি আৰু সৌহাৰ্দ্য বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। পোহৰৰ উৎসৱ দীপাৱলীয়ে নিৰাশাৰ বিপৰীতে সত্য, আশা আৰু পোহৰৰ জয় সাব্যস্ত কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। পোহৰৰ এই উৎসৱে সকলোৰে জীৱন আলোকময় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে কামনা কৰে।

গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে। মহানগৰীৰ বাসগৃহসমূহ আলোকমালাৰে সজাই তোলা হৈছে। বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ লগতে দল-সংগঠনে শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী উদযাপন কৰাৰ উদ্দেশ্যে আহ্বান জনাইছে।

ৰাজ্যৰ প্ৰতিখন জিলাতে জাকজমকতা পৰিহাৰ কৰি আৰু পৰম্পৰা বৰ্তাই ৰাখি দীপাৱলী উদযাপন কৰিবলৈ লোৱা হৈছে।

নগাঁও জিলাৰ মৃৎ শিল্পীসকলে ৩০-৪০ হাজাৰ মাটিৰ চাকি বিক্ৰী কৰিছে। এইবাৰ জিলাখনৰ জনসাধাৰণে মাটিৰ চাকিৰে বাসগৃহৰ চৌদিশ পোহৰোৱাৰ বাবে সাজু হৈছে।

**বৰপেটা** জিলাৰ বিভিন্ন স্থানত আজিৰ পৰা কেইবাদিনীয়া কাৰ্যসূচীৰে কালীপূজাৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত এয়া আমাৰ জিলাখনৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত।

**বাইট**

পাঠশালা যুৱ সমাজৰ উদ্যোগত **বজালী** জিলাত দুদিনীয়া কাৰ্যসূচীৰে কালী পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ওজাপালি প্ৰদৰ্শন, বিশ্ব শান্তিৰ বাবে বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ আদি কাৰ্যসূচী লোৱা হৈছে। **শিলচৰৰ**

১২৪ বছৰ পুৰণি শ্মশানঘাট কালীমন্দিৰত আজি নিশা কালী পূজা অনুষ্ঠিত হ'ব। **গোৱালপাৰা** জিলাৰ শ'লমাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰী মা শ্যামাকালী মন্দিৰত আজিৰেপৰা তিনিদিনীয়াকৈ কালী পূজাৰ আয়োজন কৰা হৈছে। পুৱাৰেপৰা মন্দিৰত ভক্তপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। উজনি অসমৰ শ্ৰোতাসকলে মিডিয়াম ৱেভৰ ৫২৯ দশমিক ১ মিটাৰত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা, এফ এম বেণ্ডৰ ১০৩ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী যোৰহাট কেন্দ্ৰৰ পৰা ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং ৰিলে কেন্দ্ৰৰ পৰা আৰু ১০২ দশমিক ৪ মেগা হাৰ্টজত আকাশবাণী তেজপুৰ কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত শেহতীয়াকৈ কৰা চৰাই গণনাত ১৪৬ বিধ চৰাইৰ প্ৰজাতি চিনাক্ত কৰা হৈছে। 'কাতি বিহু চৰাই গণনা, ২০২৫' কাৰ্যসূচীত SWAMP GRASS BABBLER আৰু PALLAS FISH EAGLE কে ধৰি দুটা বিপন্ন প্ৰজাতিৰ আৰু এহেজাৰ ৯১৯ টা চৰাই ব্যক্তিগতভাৱে গণনা কৰা হয়। অসম চৰাই নিৰীক্ষণ নেটৱৰ্ক আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ সহযোগত এই চৰাই গণনা কৰা হয়। অগৰাতলীত সৰ্বাধিক ৮৯ বিধ প্ৰজাতি, গমিৰি আৰু পাণবাৰীত ৫৯ বিধ, পাণপুৰত ৫৫ বিধ আৰু লাওখোৱাত ৩৭ বিধ প্ৰজাতিৰ চৰাই গণনা কৰা হৈছে।

০০০০০০

মাৰ্ঘেৰিটা আৰক্ষীয়ে শেহতীয়াকৈ তিনিচুকীয়া জিলাৰ মাজেৰে যোৱা ৩১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই অবৈধভাৱে কয়লা সৰবৰাহ কৰা চাৰিখন ট্ৰাক জব্দ কৰে। লিডুৰ অকৰ্তৃত্বশীল খনিৰ পৰা কয়লা সংগ্ৰহ কৰি গুৱাহাটী অভিমুখে গৈ থকা অৱস্থাত আৰক্ষীয়ে ট্ৰাককেইখন জব্দ কৰে। আৰক্ষীয়ে ট্ৰাক চালক আৰু হেণ্ডিমেনকেইজনক আটক কৰিছে। অঞ্চলটোত এনে অবৈধ কয়লাখননৰ আঁৰত থকা ব্যৱস্থাটো উৎখাত কৰাৰ বাবে কৰ্তৃপক্ষই তদন্ত আৰম্ভ কৰিছে। উল্লেখযোগ্য যে লিডু, পাহাৰপুৰ, বৰগোলাই, মালুগাঁও আৰু টিপঙৰ দৰে অঞ্চলসমূহত অবৈধভাৱে কয়লা খনন কৰি ৰাজ্যৰ বিভিন্ন ঠাইলৈ সৰবৰাহ কৰি অহা হৈছে বুলি বিশেষ সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

নতুন দিল্লীত অনুষ্ঠিত আদি কৰ্মযোগী অভিযানত গোলাঘাট জিলাই দেশৰ সৰ্বোত্তম প্ৰদৰ্শন কৰা জিলাসমূহৰ ভিতৰত স্থান লাভ কৰিছে। জনজাতীয় সৱলীকৰণ আৰু সৰ্বাংগীণ উন্নয়নৰ বাবে জিলাখনে এই স্বীকৃতি অৰ্জন কৰাত কৃষি বিভাগৰ মন্ত্ৰী অতুল বৰাই জিলা প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে মন্ত্ৰীগৰাকীয়ে কয়, যে এই ৰাষ্ট্ৰীয় স্বীকৃতিয়ে বিষয়া, ক্ষেত্ৰকৰ্মী, জিলা সমন্বয়ক, প্ৰশিক্ষক, আদি সতীৰ্থৰ লগতে জনসাধাৰণৰ নিষ্ঠা আৰু দায়বদ্ধতাক প্ৰতিফলিত কৰিছে।

০০০০০০

বিশ্বনাথ জিলাৰ মধ্য বিহালীৰ বৰনামঘৰত জুবিন গাৰ্গৰ সোঁৱৰণত দুদিনীয়া কাৰ্যসূচীৰে ভাওনা প্ৰদৰ্শন কৰা হয়। বিহালী যুৱ সংঘৰ উদ্যোগত বৰনামঘৰত শিল্পীসকলে ভাওনা প্ৰদৰ্শন কৰে। দুদিনীয়া কাৰ্যসূচীৰ প্ৰথম দিনা

ধৰ্মধ্বজা উত্তোলন কৰাৰ লগতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শিল্পীগৰাকীৰ স্মৃতি যুগমীয়া কৰাৰ বাবে নাহৰ গছৰ পুলিও ৰোপণ কৰা হয়।

০০০০০০

শিলচৰ আৰক্ষীয়ে কালি পুনৰ এজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। অম্বিকাপট্টীৰ এখন ব্যক্তিগত ক্লিনিকত অভিযান চলাই আৰক্ষীয়ে বিপুল চন্দ্ৰ নাথ নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। লোকজনৰ পৰা বহুখিনি সন্দেহযুক্ত নথি-পত্ৰও জব্দ কৰা হয়। আৰক্ষীয়ে ইতিমধ্যে এই সন্দৰ্ভত শিলচৰ থানাত এটা গোচৰ ৰুজু কৰিছে।

০০০০০০

গুৱাহাটীৰ আমিনগাঁৱত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাত ভাৰতৰ তনভী শৰ্মাই ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হয়। কালি অনুষ্ঠিত ফাইনেলত থাইলেণ্ডৰ অন্যাপট ফিছিতফোনেই শীৰ্ষ বাছনিৰ ভাৰতীয় শ্বাটলাৰগৰাকীক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। বিশ্ব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত ৰূপৰ পদক জয় কৰা তনভী শৰ্মা পঞ্চমগৰাকী ভাৰতীয়ৰূপে চিহ্নিত হয়।

০০০০০০

ইংলেণ্ডে ভাৰতক ৪ ৰানত পৰাস্ত কৰি আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। যোৱা নিশা ইন্দোৰৰ হ'লকাৰ ষ্টেডিয়ামত অনুষ্ঠিত খেলত ২৮৯ ৰানৰ বিজয় লক্ষ্যৰে খেলি ভাৰতীয় দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। স্মৃতি মান্ধানাই ৮৮, হৰমনপ্ৰীত কৌৰে ৭০ আৰু দিপ্তী শৰ্মাই ৫০ ৰান কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেট হেৰুৱাই ২৮৮ ৰান কৰে। দলৰ হৈ হিথাৰ নাইটছে ১০৯ ৰান কৰি ইংলেণ্ডৰ স্থিতি সবল কৰি তোলে। ভাৰতৰ হৈ দিপ্তী শৰ্মাই ৪টা উইকেট দখল কৰাৰ লগতে নৱাগত শ্ৰী চৰনীয়ে দুটা উইকেট লাভ কৰে। হিথাৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইংলেণ্ডৰ পূৰ্বে অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰতে এই প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ হ'লে নিউজিলেণ্ড আৰু বাংলাদেশৰ বিৰুদ্ধে খেলিবলগীয়া দুয়োখন খেলতে জয়লাভ কৰিব লাগিব।

প্ৰতিযোগিতাৰ আজিৰ খেলত শ্ৰীলংকা বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নবী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত বিয়লি ৩ বজাত আৰম্ভ হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীক সুঁৱৰি গুণমুগ্ধসকলে আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বাতৰি আৰু আলোকচিত্ৰই আজি আটাইবোৰ কাকতৰে প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে 'বুকুত শিল বান্ধি প্ৰাণৰ শিল্পীক সোঁৱৰণ জাতিৰ' শিৰোনামেৰে প্ৰকাশ কৰা বাতৰিটোত সোণাপুৰৰ জুবিন ক্ষেত্ৰ, কাহিলীপাৰাৰ বাসগৃহ, জোনালীৰ ষ্টুডিঅ' আদিত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ খবৰ প্ৰকাশ পাইছে। **দৈনিক অসম** কাকতে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত আৰম্ভ কৰা ডিজিটেল আন্দোলনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক উদ্বিগ্ন কৰি তোলাৰ এটা বাতৰি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিৰ পৰা আৰম্ভ কৰি ব্ৰিটেইনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ একাউণ্টতো কেৱল হেছটেগ জাষ্টিছ ফৰ জুবিন গাৰ্গে খলকনি তুলিছে। **দৈনিক জনমভূমি** কাকতে জনজাতিকৰণৰ দাবীত উজনিত টাই-আহোমে কৰি অহা প্ৰতিবাদৰ এটা বাতৰি প্ৰকাশ কৰিছে। চাহ বাগিচাৰ ভূমিৰ স্বত্ব শ্ৰমিকক দিয়াৰ বাবে অহা নৱেম্বৰত বিধেয়ক উত্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা এটা ঘোষণাই **আমাৰ অসম**ৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অৰুণাচল আৰু মেঘালয়তো অনুষ্ঠিত হোৱাৰ বাতৰি প্ৰকাশ পোৱাৰ লগতে একেটা বাতৰিকে শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় বিচাৰি শ্বিলঙত স্বাক্ষৰ

অভিযান চলোৱা খবৰো প্ৰকাশ পাইছে। **নিয়মীয়া বাৰ্তা** কাকতে মাৰ্কিন ৰাষ্ট্ৰপতিৰ জনবিৰোধী নীতিৰ ফলত আমেৰিকাত সৃষ্টি হোৱা জনৰোষৰ বাতৰি প্ৰকাশ পাইছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়ালৈ অসম সাহিত্য সভাই জনোৱা প্ৰবুদ্ধ সন্মান সদসি বৰেণ্যৰ এটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতত কাজিৰঙাত ১৪৬ বিধ প্ৰজাতিৰ চৰাই গণনাৰ এটা বাতৰি প্ৰকাশ পাইছে। **দা ছেণ্টিনেল** কাকতে অবৈধ কয়লা ভৰ্তি ট্ৰাক মাৰ্ঘেৰিটা আৰক্ষীয়ে জব্দ কৰাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ছোৱাত ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত